# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-10-2024
**Time :** 0755 Hrs

## *Assamese Morning Bulletin*

- - - - - - - - - - - - - - -

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে আজি আৰু কাইলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলা উদ্বোধন কৰা হ'ব। উল্লেখযোগ্য যে ধুবুৰী জিলাৰ বিলাসীপাৰা আৰু গোলকগঞ্জক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। বঙাইগাঁৱৰ অভয়াপুৰীক, কামৰূপ জিলাৰ বঙিয়াক, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে বিশ্বনাথৰ গহপুৰ আৰু বিহালীক, লখিমপুৰ জিলাৰ ঢকুৱাখানাক, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া সম-জিলা হ'ব। শিৱসাগৰৰ নাজিৰা আৰু ডিমৌক, যোৰহাটৰ তিতাবৰক সম-জিলাৰ মৰ্যাদা দিয়া হৈছে। গোলাঘাট জিলাৰ বোকাখাত, সৰুপথাৰ আৰু ডেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ, গোৱালপাৰা জিলাৰ পশ্চিম গোৱালপাৰা সম-জিলা হ'ব। কামৰূপ মেট্ৰ'ৰ দিছপুৰ, নিউ-গুৱাহাটী আৰু ডিমৰীয়াক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁৱক, মৰিগাঁও জিলাৰ জাগীৰোড আৰু লাহৰীঘাট আৰু হোজাই জিলাৰ লামডিঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত আজি সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। ঢেকীয়াজুলিৰ লগতে জিলাখনৰ নদুৱাৰকো সম-জিলাৰ আখ্যা দিয়া হ'ব। ডিব্ৰুগড় জিলাৰ খোৱাং, দুলিয়াজান আৰু টিংখঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে। চৰাইদেউ জিলাৰ মাহমৰা আৰু কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে অসমীয়া, মাৰাঠী, পালী, প্ৰাকৃত আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনাইছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক সমূহ অসমবাসীৰ হৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছে। তেওঁ কয় যে প্ৰাচীন কামৰূপ তথা বৰ অসমৰ সভ্যতা সংস্কৃতিৰ এই শিপাডালে আমাক আজি পুনৰবাৰ সমৃদ্ধ কৰিলে। এই সিদ্ধান্তৰ দ্বাৰা অসমীয়া ভাষাক জগতসভালৈ লৈ যাবলৈ আমি সমৰ্থ হ'ম বুলি তেওঁ সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে তামিল, সংস্কৃত, তেলেগু, কানাড়া, মালায়ালয়ম আৰু ওড়িয়া ধ্ৰুপদী ভাষাৰ তালিকাত সন্নিবিষ্ট আছিল।

অসমীয়া ভাষাত ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ পাছতে অসম গণ পৰিষদে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জনাইছে। অসমীয়া ভাষাক জগতসভালৈ লৈ যোৱাৰ ক্ষেত্ৰত যিসকল মহান মণিষীয়ে অহোপুৰুষাৰ্থ কৰিছিল, তেওঁলোকক অগপৰ সভাপতি অতুল বৰাই সশ্ৰদ্ধ প্ৰণিপাত জনায়। লগতে বৰাই অসমীয়া ভাষাত এই অলংকাৰ পৰিধান কৰাৰ পাছত প্ৰতিজন অসমীয়াৰ দায়িত্ব আৰু দায়বদ্ধতা বাঢ়িল বুলিও উল্লেখ কৰে। জাতি আৰু ভাষাটিৰ উন্নয়নৰ হকে প্ৰতিজন অসমীয়াকে তেওঁ একেলগ হৈ কাম কৰিবলৈ আহ্বান জনায়।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত মিচিং স্বায়ত্ত শাসিত পৰিষদৰ বাবে সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ আৰু পৰিষদৰ আসন্ন নিৰ্বাচনৰ বিষয়ে অনা মিচিং সুৰক্ষা সমিতি আৰু বিভিন্ন জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত এম এ চি গাঁও অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত ২০০৫ চনত জাৰি কৰা অধিসূচনাৰ সংশোধন আৰু পৰিষদৰ উপগ্ৰহীয় অঞ্চলৰ মিচিং জনবসতি নথকা গাঁওসমূহ বাদ দিয়া হ'ব বুলি উল্লেখ কৰে। তদুপৰি মিচিং আৰু অনামিচিং উভয় সম্প্ৰদায়ৰ জনবসতি থকা গাঁৱৰ ক্ষেত্ৰত মিচিং জনবসতি থকা অংশহে এম এ চিত অন্তৰ্ভুক্ত কৰোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। মিচিং জনবসতি নথকা কোনো নতুন গাঁও পৰিষদত অন্তৰ্ভুক্ত নহয় বুলি উল্লেখ কৰাৰ লগতে প্ৰতিনিধিসকলে উত্থাপন কৰা অন্যান্য সমস্যাবোৰৰো দ্ৰুত সমাধানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বৈঠকত ধেমাজি জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰধান সচিব উপস্থিত থাকে।

০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে বন্যপ্ৰাণী সপ্তাহ ২০২৪ উদযাপনৰ অংশ হিচাপে দিনজোৰা কাৰ্যসূচীৰে কালি এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। এই কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিষ্ঠানটোৰ বিজ্ঞানী, বিষয়া আৰু অন্যান্য সহায়ক-কৰ্মচাৰীসকলে কালি পুৱা পক্ষী নিৰীক্ষণ কৰে। তেওঁলোকে প্ৰতিষ্ঠানটোৰ চৌহদত প্ৰায় ২৯টা বিভিন্ন প্ৰজাতিৰ চৰাই প্ৰত্যক্ষ কৰে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আদিও অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি বেচৰকাৰী অনুষ্ঠানক আৰণ্যকৰ জ্যেষ্ঠ প্ৰৱন্ধক ড০ দীপাংকৰ লহকৰে ভাৰতত পৰিস্থিতি বিজ্ঞান, বাঘৰ জীৱ বিজ্ঞান আৰু ইয়াৰ সংৰক্ষণৰ ইতিহাসৰ সৈতে সংগতি ৰাখি বক্তব্য প্ৰদান কৰে। তেওঁ মানস ৰাষ্ট্ৰীয় উদ্যানৰ নৃতাত্বিক চাপৰ বিষয়েও আলোকপাত কৰে।

০০০০০০০

যোৰহাট জিলাৰ নিযুত মইনা আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলক আনুষ্ঠানিকভাৱে ডি ডি বিতৰণ সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত কালি এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে অহা ৬ অক্টোবৰৰ পৰা প্ৰায় ৫৮খন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলক ছটা ভিন্ন স্থানত ডি ডি বিতৰণ কৰা হ'ব। জিলা আয়ুক্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্তকে ধৰি শিক্ষানুষ্ঠানসমূহৰ অধ্যক্ষ আৰু জিলাখনৰ প্ৰশাসনীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি ডুবাইত হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিজৰ প্ৰথমখন খেলত ছফী ডিভাইন নেতৃত্বাধীন নিউজিলেণ্ডৰ মুখামুখি হ'ব। আনহাতে, আজি বিয়লিঅনুষ্ঠিত হ'বলগীয়া আন এখন খেলত ৱেষ্ট ইণ্ডিজে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি আকাশবাণীয়ে হিন্দী আৰু ইংৰাজীত এই খেলৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

০০০০০০০

সমাপ্ত